*Total number of pages – 8*

**CODE : 34T ADAS**

# 2024

# ADVANCE ASSAMESE

## (NEW COURSE)

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×3 = 3 |
| *Q. No. 2 carries 4 marks* | 4×1 = 4 |
| *Q. No. 3 carries 4 marks* | 4×1 = 4 |
| *Q. No. 4 carries 3 marks each* | 3×3 = 9 |
| *Q. No. 5 carries 1 mark each* | 1×3 = 3 |
| *Q. No. 6 carries 6 marks* | 6×1 = 6 |
| *Q. No. 7 carries 3 marks each* | 3×2 = 6 |
| *Q. No. 8 carries 8 marks* | 8×1 = 8 |
| *Q. No. 9A carries 2 marks* | 2×1 = 2 |
| *Q. No. 9B carries 3 marks* | 3×1 = 3 |
| *Q. No. 9C carries 3 marks* | 3×1 = 3 |
| *Q. No. 10 carries 4 marks* | 4×1 = 4 |
| *Q. No. 11 carries 5 marks* | 5×1 = 5 |
| *Q. No. 12A carries 2 marks* | 2×1 = 2 |
| *Q. No. 12B carries 1 mark* | 1×1 = 1 |
| *Q. No. 12C carries 2 marks* | 2×1 = 2 |
| *Q. No. 13 carries 6 marks* | 6×1 = 6 |
| *Q. No. 14 carries 4 marks* | 4×1 = 4 |
| *Q. No. 15 A/B carries 6 marks* | 6×1 = 6 |
| *Q. No. 16 A carries 3 marks* | 3×1 = 3 |
| *Q. No. 16 B carries 1 mark* | 1×1 = 1 |
| *Q. No. 17 carries 6 marks* | 6×1 = 6 |
| *Q. No. 18 carries 6 marks* | 6×1 = 6 |
| *Q. No. 19 carries 1 mark each* | 1×3 = 3 |
| | Total = 100 |

*Contd.*

১। চমু উত্তৰ দিয়া ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) 'বৰ্ষা বৰ্ণন' কাব্যাংশ ভাগৱতৰ কোনটো স্কন্ধৰপৰা উদ্ধৃত কৰা হৈছে?

(খ) চন্দ্ৰকুমাৰ আগৰৱালাই কবিতাটিত কাৰ বন্দনা কৰিছে?

(গ) 'চেতনা' আলোচনীৰ সম্পাদকগৰাকীৰ নাম লিখাঁ।

(ঘ) 'মোৰ গাঁও' কবিতাটিত উল্লেখ কৰা নদীখনৰ নাম কি?

(ঙ) ভাৰতবৰ্ষৰ অতীত বৰ্তমানৰ সাক্ষী বুলি কাক কোৱা হৈছে?

২। (ক) 'বৰ্ষা বৰ্ণন' কবিতাটিত বাৰিষাৰ শোভা চাই গোপগণৰ সৈতে কৃষ্ণই কেনেকৈ সময় অতিবাহিত কৰিছিল তোমাৰ ভাষাৰে লিখাঁ। ৪

*অথবা*

(খ) 'অন্বেষণ' কবিতাটিত কবিৰ বিৰহৰ কাৰণ কেনেদৰে প্ৰকাশ পাইছে লিখাঁ। ৪

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এছোৱা)* ১+৩=৪

(ক) ই যে শত আঘাতৰ ৰক্ত ধুউৱা শ্ৰাৱণৰ মহাবান,
ই যে মাতৃ আদেশ, সন্তান-প্ৰাণ দিবলকে বলিদান।

(খ) জাতীয় উছৱ আদি কোনো ৰঙ ধেমালিতে
নাই প্ৰাণ আগৰ সিদৰে,
ধনকে মাথোন চিনি মৰম নিচিনা হ'ল
ধনেই কেৱল হ'ল
দয়া স্নেহ মূলতে সবাৰে।



৪। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৩×৩=৯

(ক) মানুহেই দেব মানুহেই সেব
মানুহ বিনে নাই কেব,
কৰা কৰা পূজা পাদ্য অৰ্ঘ লই
জয় জয় মানব দেব।

— কবিয়ে কিয়, কি প্ৰসংগত এইদৰে কৈছে? কবিয়ে ইয়াৰ দ্বাৰা মানুহক কি উপদেশ দিব খুজিছে?

(খ) খালী ঠাই পূৰ কৰাঁ ঃ

"ই যে _______ লাঞ্ছিত হোৱা _______ ইতিহাস,
ই যে _______ হকে মৰিবৰ হেতু প্ৰাণভৰা অভিলাষ।"

(গ) 'কাঞ্চনজংঘাৰ বুৰঞ্জী' কবিতাটিৰ প্ৰথম স্তৱকটিৰ তাৎপৰ্য ব্যাখ্যা কৰাঁ।

(ঘ) সীতানাথ ব্ৰহ্মচৌধুৰীৰ তিনিখন কবিতাপুথিৰ নাম লিখাঁ।

(ঙ) অৰ্থ লিখাঁ ঃ গোষ্ঠক, ছকঠীয়াখনি, লৱণু

৫। চমু উত্তৰ লিখাঁ ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) কোন দুটা শব্দৰ দ্বাৰা 'কৃষ্ণ' পদটি নিষ্পন্ন হৈছে?

(খ) শ্ৰীমদ্ভাগৱত পুৰাণৰ লক্ষণ কেইটা?

(গ) 'মাধৱদেৱ' পাঠটিত 'আসামৰ শ্ৰেষ্ঠ পুত্ৰ' বুলি কাৰ কাৰ কথা কোৱা হৈছে?

(ঘ) মধ্যপ্ৰদেশৰ কোন জনগোষ্ঠীয়ে গ্ৰীষ্মকালত 'বিযু চিকাৰ'ৰ ব্যৱস্থা কৰে?

(ঙ) 'মিৰিজীয়ৰী' উপন্যাসখন কোন খ্ৰীষ্টাব্দত ছপা হৈছিল?

৬। (ক) 'বুৰঞ্জীৰ দৌৰাত্ম্য' পাঠটোৰ মূল কথাখিনি চমুকৈ লিখা। ৬

*অথবা*

(খ) মাধৱদেৱৰ ধী-শক্তি আৰু প্ৰতিভাৰ বিষয়ে চমুকৈ লিখা। শংকৰদেৱ আৰু মাধৱদেৱৰ ব্যক্তিত্বৰ মাজত থকা এটা পাৰ্থক্য লিখা। ৫+১=৬

৭। তলত দিয়া *যিকোনো দুটাৰ* বিষয়ে চমুকৈ লিখা ঃ ৩×২=৬

(ক) ভৱিষ্য পুৰাণ

(খ) ধৰ্মগ্লানি

(গ) বিহু শব্দৰ উৎপত্তি

(ঘ) ইন্দ্ৰধ্বজ পূজা

৮। (ক) নৱকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু' উপন্যাসৰ ৰূপাই আৰু সোণপাহি চৰিত্ৰ দুটাৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ৮

*অথবা*

(খ) 'কপিলী পৰীয়া সাধু' উপন্যাসত কপিলী নদীখনৰ সৈতে দাঁতি কাষৰীয়া মানুহৰ আত্মিক সম্পৰ্ক বিচাৰ কৰা। ৮

৯। (ক) কপিলীৰ বানত আক্ৰান্ত মানুহবোৰৰ বাবে ৰিলিফৰ নাৱত কি কি সামগ্ৰী আহিছিল? ২

(খ) ৰূপচিং বৰুৱাই তিলক গোসাঁইলৈ লিখা চিঠিখনৰ মৰ্মাৰ্থ কি আছিল লিখা। ৩

(গ) ধীৰচিংহতৰ গাঁওখনৰ এটি পৰিচয় দিয়া। ৩



১০। তলত দিয়া *যিকোনো এজনৰ* বিষয়ে চমুকৈ লিখা ঃ ৪

বেথাৰাম পণ্ডিত

হৰিয়া

জাহ্নৱী ভকত

১১। (ক) "মানুহ বা শিক্ষক হিচাপে ছাৰক আমি কোনেও বেয়া পোৱা নাছিলোঁ।"

— গল্পকাৰৰ এই উক্তিৰ যথাৰ্থতা বিচাৰ কৰা। ৫

*অথবা*

(খ) "বাপধন বলোৰাম মেধিৰ ঘৰৰ লক্ষ্মী"

— হাতীটোৰ সম্পৰ্কত মেধিৰ কিয় এনে বিশ্বাস হৈছিল চমুকৈ লিখা। ৫

১২। (ক) 'আমাৰ ছাৰ' গল্পটিত উল্লেখ থকা ছাৰৰ দুজন ছাত্ৰৰ নাম লিখা। ২

(খ) 'আমাৰ ছাৰ'ৰ প্ৰকৃত নামটো কি? ১

(গ) শূন্য বিয়াঘৰৰ পদূলিমুখত বলোৰাম বুঢ়া আৰু বাপধন স্তব্ধ স্তম্ভিত হৈ ৰোৱাৰ কাৰণ কি আছিল? ২

১৩। (ক) উপন্যাসৰ শ্ৰেণীবিভাগ কৰি যিকোনো দুটা বিভাগৰ বিষয়ে এটি নাতিদীৰ্ঘ টোকা যুগুত কৰা। ২+৪=৬

*অথবা*

(খ) চুটিগল্পৰ উৎপত্তি প্ৰথম ক'ত হৈছিল? চুটিগল্পৰ উপাদানসমূহৰ বিষয়ে চমুকৈ লিখা। ১+৫=৬

১৪। তলৰ *যিকোনো এটাৰ* বিষয়ে চমুকৈ লিখা ঃ ৫

(ক) উপন্যাসৰ বৈশিষ্ট্য

(খ) চুটিগল্পৰ চৰিত্ৰ

(গ) ঐতিহাসিক উপন্যাস

১৫। (ক) অৰ্থালংকাৰ কাক বোলে? *যিকোনো দুটা* ভাগৰ বিষয়ে উদাহৰণসহ লিখা। ২+৪=৬

*অথবা*

(খ) অলংকাৰ কাক বোলে? কাব্যত অলংকাৰে কেনেধৰণৰ প্ৰয়োজনীয়তা সাধন কৰে আলোচনা কৰা। ২+৪=৬

১৬। (ক) "মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া কলিৰ বৰণেৰে ঢকা।"

— এই কাব্যপংক্তিত কি অলংকাৰ প্ৰয়োগ হৈছে? অলংকাৰবিধৰ বিষয়ে চমুকৈ লিখা। ১+২=৩

(খ) 'অলম্' শব্দটোৰ প্ৰকৃত অৰ্থ কি? ১

১৭। পদ্মনাথ গোহাঞিবৰুৱা *অথবা* ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ বিষয়ে এটি নাতিদীৰ্ঘ টোকা যুগুত কৰা। ৬

১৮। ১৮৮৯-১৯৪০ — এই সময়ছোৱাৰ *যিকোনো এগৰাকী* গল্পকাৰৰ বিষয়ে এটি নাতিদীৰ্ঘ টোকা যুগুত কৰা। ৬



১৯। চমু উত্তৰ দিয়া ঃ ১×৩=৩

(ক) প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি?

(খ) 'সেউতী' গল্পটিৰ লেখক কোন?

(গ) শৰৎচন্দ্ৰ গোস্বামীৰ এখন গল্পপুথিৰ নাম লিখা।

★